# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-05-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মটক ৰাজ্যৰ প্ৰতিষ্ঠাপক ৰজা সৰ্বানন্দ সিংহৰ স্মৃতি দিৱস উপলক্ষে আজি মটক জনজাতি বসতিপ্ৰধান অঞ্চলসমূহত বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। সাহস, বীৰত্ব আৰু স্বদেশপ্ৰেমৰ অম্লান নিদৰ্শনেৰে অসমীয়া জাতিক উদ্বুদ্ধ কৰি যোৱা মটক ৰজাগৰাকীৰ স্মৃতি দিৱসত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰীয়ে এটা বাৰ্তাত মহান বীৰ পুৰুষগৰাকীৰ ত্যাগ, সাহস আৰু আত্মবলিদানৰ গাথা জাতিটোৰ বাবে অনুপ্ৰেৰণা হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সৰ্বানন্দ সিংহই দেখুৱাই যোৱা স্বদেশপ্ৰেমৰ ভাৱনাৰে নিজকো উদ্বুদ্ধ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

০০০০০

ৰাজহ, দুৰ্যোগ প্ৰশমন, তথ্য প্ৰযুক্তি তথা অন্যান্য দপ্তৰৰ মন্ত্ৰী কেশৱ মহন্তই আজি ধেমাজি আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত সম্ভাব্য বান পৰিস্থিতিৰ মোকাবিলা সন্দৰ্ভত আলোচনা কৰে। ধেমাজী আৰু মাজুলী জিলাৰ প্ৰশাসনিক বিষয়াবৰ্গৰ সৈতে আলোচনা কৰি মন্ত্ৰীগৰাকীয়ে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। মন্ত্ৰী শ্ৰীমহন্তই সম্ভাব্য বান পৰিস্থিতিৰে ক্ষিপ্ৰতাৰে মোকাবিলা কৰি জনসাধাৰণক তাৎক্ষণিকভাৱে সকাহ দিব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা প্ৰদান কৰে। পৰ্যালোচনা সভাত জিলা দুখনত চলি থকা বসুন্ধৰা তৃতীয় সংস্কৰণৰ অগ্ৰগতিৰ সন্দৰ্ভতো প্ৰশাসনৰ সৈতে বিস্তৃতভাৱে আলোচনা কৰি ক্ষিপ্ৰতাৰে কামসমূহ সম্পূৰ্ণ কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। বানৰ লগত মোকাবিলা কৰিব পৰাকৈ ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে সক্ষম বুলি মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে। তেওঁ কয়, যে ধেমাজিত ৩০ জনীয়া ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন বিভাগৰ দল, ৰাজ্যিক দুৰ্যোগ প্ৰশমন বাহিনী আৰু উদ্ধাৰকাৰ্যত ব্যৱহৃত নাও সম্পূৰ্ণৰূপে সাজু কৰি ৰখা হৈছে। আজিৰ এই পৰ্যালোচনা বৈঠকত জোনাইৰ বিধায়ক ভূৱন পেগুয়েও অংশগ্ৰহণ কৰে।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলত ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ বাবে খেলো ইণ্ডিয়া উত্তৰ পূৱ ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰা হব বুলি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে। আজি নতুন দিল্লীত আয়োজিত ৰাইজিং নৰ্থ ইষ্ট বিনিয়োগকাৰী শীৰ্ষ সন্মিলন ২০২৫ৰ আজি সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে প্ৰতিবছৰে আয়োজন কৰিবলগীয়া এই উৎসৱত অলিম্পিকত অন্তৰ্ভুক্ত ক্ৰীড়াসমূহৰ লগতে পৰম্পৰাগত ক্ৰীড়াও অন্তৰ্ভুক্ত কৰা হব।

ক্ৰীড়ামন্ত্ৰীগৰাকীয়ে খেলো ইণ্ডিয়া ক্ৰীড়া প্ৰতিযোগিতাত দেশক ক্ৰীড়া ক্ষেত্ৰত উত্তৰণ ঘটোৱাৰ মূল চাবিকাঠি বুলিও উল্লেখ কৰে। এই অনুষ্ঠানত অংশ লৈ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে কয়, যে স্বাস্থ্য সেৱা সুলভ আৰু গুণগত মানসম্পন্ন কৰি তোলাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য

চৰকাৰসমূহৰ সৈতে সহযোগিতাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।  তেওঁ কয় যে, ব্যক্তিগত খণ্ডই উত্তৰ পূৰ্বাঞ্চলৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব পাৰে। চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণৰ কল্যাণৰ বাবে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও মন্তব্য কৰে। সন্মিলনত অংশ লৈ উত্তৰ পূৰ্বাঞ্চলৰ বিকাশ ত্বৰান্বিত কৰাত নবীকৰণযোগ্য শক্তিখণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে বুলি নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবত অভূতপূৰ্ব উন্নয়ন পৰিলক্ষিত হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ-পূবত অব্যৱহৃত নবীকৰণযোগ্য শক্তিৰ বিশাল সম্পদ আছে। তেওঁ কয়, যে শক্তিৰ বৃৰ্ধিত চাহিদাৰে এই প্ৰাকৃতিক সুবিধাসমূহৰ সহায়ত দেশৰ সেউজ বিকাশৰ পৰিকল্পনাসমূহত উত্তৰ-পূব অঞ্চলে গুৰুত্বপূৰ্ণ স্থান দখল কৰিছে। উত্তৰ-পূবৰ পৰিৱৰ্তন তথা ইয়াৰ সম্ভাৱনাসমূহ ব্যৱহাৰৰ দিশত অংশগ্ৰহণ তথা বিনিয়োগৰ বাবে আগবাঢ়ি আহিবলৈ শ্ৰীযোশীয়ে উদ্যোগপতি তথা বিনিয়োগকাৰীসকলৰ প্ৰতি আহ্বান জনায়।

00000

তিনিচুকীয়া আৰক্ষীয়ে আজি পুৱাৰ ভাগত অসম-অৰুণাচল সীমান্তৰ জংঘলত অভিযান চলাই  নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ সদস্য ৰূপম অসমক আটক কৰে। আৰক্ষীয়ে সদস্যজনৰ পৰা অস্ত্ৰ-শস্ত্ৰ আৰু অন্যান্য সামগ্ৰী উদ্ধাৰ কৰিছে। তিনিচুকীয়া আৰক্ষীয়ে কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সহযোগত আলফা স্বাধীনৰ অন্যান্য সদস্যসকলৰ সন্ধানত সীমান্ত অঞ্চলত অভিযান অব্যাহত ৰাখিছে।

00000

গোলাঘাটৰ শালমৰা ম'হখুটিত ধনশিৰি নৈত গা ধুবলৈ গৈ এজন যুৱক সন্ধানহীন হৈছে। বোকাখাত ক'লাখোৱাৰ মনীষ বিশ্বকৰ্মা নামৰ যুৱকজনক নৈৰ সোঁতে উটুৱাই নিয়ে বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। যুৱকজনৰ সন্ধানত গোলাঘাট আৰু ঢেকীয়াল আৰক্ষীৰ লগতে এছ ডি আৰ এফ বাহিনী নৈৰ বুকুত উদ্ধাৰ অভিযান চলাইছে।

00000

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদে আজি সমাগত ইংলেণ্ড ভ্ৰমণসূচীৰ বাবে ভাৰতৰ টেষ্ট দলটো ঘোষণা কৰিছে। শুভমন গিল নেতৃত্বাধীন জাতীয় দলটোত ছাই সুদৰ্শন নতুন মুখ হিচাপে স্থান লাভ কৰিছে। আনহাতে দীৰ্ঘদিনৰ মূৰত জাতীয় টেষ্ট দলত কৰুণ নায়াৰে স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে। উইকেট ৰক্ষক-বেটাৰ ঋষভ পণ্টক উপ-অধিনায়ক হিচাপে ৰাষ্ট্ৰীয় নিৰ্বাচক মণ্ডলীয়ে নিযুক্তি দিছে। দলটোত ছাই সুদৰ্শন, কৰুণ নায়াৰৰ লগতে পেচ বলাৰ অৰ্শ্বদীপ সিং, বেটাৰ অভিমন্যু ইশ্বৰণে সুযোগ লাভ কৰিছে। ৰোহিত শৰ্মা আৰু বিৰাট কোহলীৰ অৱসৰৰ পাছত ভাৰতীয় টেষ্ট ক্ৰিকেটৰ এটা নতুন যুগ আৰম্ভ হ'ব বুলি আশা কৰা হৈছে। উল্লেখযোগ্য যে অহা ২০ জুনৰ পৰা ইংলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ টেষ্ট ক্ৰিকেট শৃংখলা অনুষ্ঠিত হ'ব।

00000

সমাপ্ত